**Regional News Unit**

All India Radio, Guwahati

Date : 5-08-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin

Hedline (5-8-25) Morn

১। উৰিয়ামঘাটত নগাৰ আগ্ৰাসন হোৱা নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পূণ্য তিথি আজি লোককল্যাণ দিৱস হিচাপে পালন। ৬৯ গৰাকী অৰাজপত্ৰিত কৰ্মচাৰীলৈ লোকসেৱা পুৰস্কাৰ।

৩। বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে বি পি এফৰ প্ৰাৰ্থী তালিকা প্ৰকাশ। আজি চিৰাঙত মুখ্যমন্ত্ৰীৰ প্ৰচাৰ অভিযান।

৪। গড়ভঙাক অভয়াৰণ্যৰ পৰা সংৰক্ষিত বনাঞ্চললৈ অৱনমিত কৰা সন্দৰ্ভত বিতং শপতনামা দাখিলৰ বাবে ৰাজ্য চৰকাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

*আৰু*

৫। ৰাজ্য চৰকাৰৰ উদ্যোগত আজি আলাবৈ ৰণ স্মৃতি দিৱস।

00000000

উৰিয়ামঘাটত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযানৰ পাছত ৰেংমা সংৰক্ষিত বনাঞ্চলৰ ১২ হেজাৰ হেক্টৰ ভূমি দখলমুক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। উৰিয়ামঘাটত নগা লোকৰ আগ্ৰাসন হোৱা নাই বুলি স্পষ্ট কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাতীয় জীৱনৰ বৃহত্তৰ স্বাৰ্থত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সংবাদ মাধ্যমৰ আগত কয়, যে উৰিয়ামঘাটৰ স্থান তেওঁ নিজে প্ৰত্যক্ষ কৰি আহিছে আৰু সেই স্থানত নগাৰ আগ্ৰাসন হোৱা কথাটো সম্পূৰ্ণ মিছা। ৰাজ্যৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয় সন্দৰ্ভত অহা নৱেম্বৰত হবলগীয়া অসম বিধানসভাৰ অধিৱেশনত আলোচনা কৰা হব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

**ইপিনে, বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ কালি মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহচক্ৰৰ অন্তৰ্গত কাৱৈমাৰী, গুলীবন্ধা আৰু সৰ্থেবাৰীৰ বিভিন্ন অঞ্চলত অবৈধ দখলকাৰীৰ কবলত থকা কেইবাহাজাৰ বিঘা ভূমি অতি সোনকালে দখলমুক্ত কৰা হব বুলি উল্লেখ কৰে।**

(বাইট – মুখ্যমন্ত্ৰী)

00000000

ভাৰতৰত্ন সন্মানেৰে বিভূষিত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পূণ্যতিথি আজি ৰাজ্যজুৰি লোককল্যাণ দিৱস হিচাপে পালন কৰা হৈছে। ২০২২ বৰ্ষৰ পৰা ৰাজ্য চৰকাৰৰ উদ্যোগত এই দিনটো লোককল্যাণ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই উপলক্ষে চৰকাৰে ৰাজ্যখনৰ অৰাজপত্ৰিত কৰ্মচাৰীসকলৰ উৎকৃষ্ট সেৱাৰ বাবে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ প্ৰদান কৰে। ইয়াৰ লগতে ভালেসংখ্যক বিষয়ালৈ প্ৰশাসন ব্যৱস্থাত দেখুওৱা পাৰদৰ্শিতাৰ বাবে কৰ্মশ্ৰী বঁটাও আগবঢ়োৱা হয়। কালি ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে চলিত বছৰৰ বাবে ৬৯ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা বঁটাসমূহ ঘোষণা কৰে। আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হব। কালি কৰা ঘোষণা অনুসৰি ৰাজ্যিক পৰ্যায়ত অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগৰ দলপতি অংকুৰ নাৰায়ণ দাস, মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ মাল্টি টাস্কিং ষ্টাফ বীৰ বাহাদুৰ ৰায়, ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ জ্যেষ্ঠ সহায়ক চিন্ময় বৰা, বিত্ত বিভাগৰ সহকাৰী শাখা বিষয়া দ্বীপজ্যোতি বনিয়াকে ধৰি ১০ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক পৰ্যায়ৰ লোকসেৱা বঁটা আগবঢ়োৱা হৈছে। একেদৰে বৰপেটা জিলা আয়ুক্ত কাৰ্যালয়ৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী বীৰেন্দ্ৰ নাথ দাস, বজালী জিলা আয়ুক্ত কাৰ্যালয়ৰ কনিষ্ঠ প্ৰশাসনিক সহায়ক অবিনাশ গোস্বামী, কাছাৰৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক হেমাংগ বড়োকে ধৰি ৫৯ গৰাকী কৰ্মচাৰীলৈ জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ আগবঢ়োৱা হৈছে।

ৰাজ্যৰ বিভিন্ন জিলাত আজি লোককল্যাণ দিৱস উপলক্ষে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ স্মৃতিত শ্ৰদ্ধা জনাই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গোৱালপাৰা জিলা প্ৰশাসনেও আজি গোৱালপাৰাৰ নটসূৰ্য ফণী শৰ্মা ভৱনত এই উপলক্ষে কাৰ্যসূচী ৰূপায়ণ কৰিব। অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকিব।

00000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ আমিনগাঁৱত নিৰ্মাণ কৰা শৰাইঘাট পাৰ্কখন আনুষ্ঠানিকভাৱে মুকলি কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে আমিনগাঁৱত থকা কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত স্থাপন কৰা মহাত্মা গান্ধীৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন কৰে। ইয়াৰ লগতে তেওঁ কেইবাটাও পৰিয়ালক উত্তৰ গুৱাহাটীত স্থাপন হ'বলগীয়া ন্যায়িক চহৰৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ ক্ষতিপূৰণো প্ৰদান কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই বছৰৰ শেষৰ ফালে ৰংমহলত ন্যায়িক চহৰ নিৰ্মাণৰ কাম-কাজ আৰম্ভ হ'ব। ন্যায়িক চহৰৰ নিৰ্মাণৰ বাবে প্ৰথম অৱস্থাত ১৩৫ বিঘা ভূমি অধিগ্ৰহণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে।

বাইট

00000000

বি টি চি পৰিষদীয় নিৰ্বাচনৰ দিন আনুষ্ঠানিকভাৱে ঘোষণা কৰা হোৱা নাই যদিও সম্প্ৰতি শাসক-বিৰোধী দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। ইউ পি পি এলৰ সৈতে মিত্ৰতা বজাই ৰাখি বিজেপিয়ে পৰিষদীয় নিৰ্বাচনত নিজা প্ৰাৰ্থী দিব বুলি ঘোষণা কৰাৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিভিন্নজনে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফে কালি ২২ টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰি নিৰ্বাচনক নতুন মাত্ৰা প্ৰদান কৰিছে। কোকৰাঝাৰৰ দেৱৰগাঁও সমষ্টিত হাগ্ৰামা মহিলাৰীয়ে নিজে প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰিছে। ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাঙৰ দুখন দলীয় কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই চিৰাঙৰ চুবাইঝাৰ আৰু থুৰিবাৰী পৰিষদীয় সমষ্টিভিত্তিত বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত প্ৰথমখন সন্মিলনত অংশগ্ৰহণ কৰিব। আনহাতে মানাস ছেৰফাং পৰিষদীয় সমষ্টিভিত্তিত তেওঁ পাণবাৰী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত দ্বিতীয়খন সভাত অংশ লব। বিজেপিয়ে নিজাকৈ বি টি চি পৰিষদীয় নিৰ্বাচনত প্ৰাৰ্থী দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন স্থানত সভা অনুষ্ঠিত কৰি বিজেপিৰ হৈ প্ৰচাৰ চলাই আছে।

00000000

গুৱাহাটী মহানগৰীৰ গাতে লাগি থকা গড়ভঙাক ৰাজ্য চৰকাৰে অভয়াৰণ্যৰ পৰা সংৰক্ষিত বনাঞ্চললৈ অৱনমিত কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। এখন ৰাজহুৱা স্বাৰ্থজৰিত আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে বিষয়টো সন্দৰ্ভত চৰকাৰক বিতং শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। কালি ন্যায়ালয়ত গোচৰটো সন্দৰ্ভত ৰাজ্যৰ বন বিভাগে এখন শপতনামা দাখিল কৰে যদিও ন্যায়াধীশে এই শপতনামাত অসন্তুষ্টি ব্যক্ত কৰি পুনৰ বিস্তৃতভাৱে শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ২০২২ চনৰ ২৮ মাৰ্চত গড়ভঙাক ৰাজ্য চৰকাৰে বণ্যপ্ৰানী অভয়াৰণ্যলৈ উন্নীত কৰাৰ বাবে জাননী জাৰি কৰিছিল। গড়ভঙা আৰু ৰাণী বনাঞ্চলৰ ১১৭ বৰ্গ কিলোমিটাৰ এলেকা সামৰি বণ্যপ্ৰাণী অভয়াৰণ্যখন গঠন কৰা হৈছিল যদিও ২০২৩ চনৰ ২৬ ছেপ্টেম্বৰত চৰকাৰে গড়ভঙা অভয়াৰণ্যৰ স্বীকৃতি বাতিল কৰে। বণ্যপ্ৰাণী অভয়াৰণ্যখন সংৰক্ষিত বনাঞ্চললৈ অৱনমিত কৰি চৰকাৰে আইন উলংঘা কৰা

বুলি অভিযোগ কৰি দাখিল কৰা আবেদন সন্দৰ্ভত ন্যায়ালয়ে অহা ২৬ আগষ্টত পুনৰ শুনানি গ্ৰহণ কৰিব।

ইপিনে, গোৱালপাৰাৰ হাছিলা বিলত উচ্ছেদ চলোৱাৰ সময়ত ৰাজ্য চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা উলংঘা কৰাৰ বাবে ৰাজ্যৰ মুখ্য সচিবক সৰ্বোচ্চ ন্যায়ালয়ে চমন জাৰি কৰিছে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে ২০২৪ চনৰ ১৩ নৱেম্বৰত বুলডজাৰ লগাই উচ্ছেদ চলোৱা কাৰ্যক নিষিদ্ধ ঘোষণা কৰিছিল। কিন্তু গোৱালপাৰা জিলা প্ৰশাসনে হাছিলা বিলৰ এহেজাৰ ৫৬৪ বিঘা ভূমি দখলমুক্ত কৰাৰ সময়ত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা উলংঘা কৰাৰ অভিযোগ উঠিছে। এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত ৰুজু হোৱা এটা গোচৰৰ শেহতীয়া শুনানিত ৰাজ্যৰ মুখ্য সচিব ৰবি কোটা, ৰাজহ বিভাগৰ প্ৰধান সচিব জি ডি ত্ৰিপাঠী, গোৱালপাৰাৰ জিলা আয়ুক্ত খনিন্দ্ৰ চৌধুৰী, বালিজান চক্ৰ বিষয়া পূজা দাস, গোৱালপাৰাৰ আৰক্ষী অধীক্ষক নৱনীত মহন্ত, গোৱালপাৰা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিষ্ণু প্ৰচাইলৈ জাননী জাৰি কৰি অহা ৮ আগষ্টৰ শুনানিত তেওঁলোকক হাজিৰ হবলৈ কোৱা হৈছে।

00000000

শিলচৰত স্ত্ৰী ৰোগ বিশেষজ্ঞ হিচাপে চিকিৎসা আগবঢ়াই থকা এগৰাকী ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰি ছদিনৰ বাবে আৰক্ষীয়ে জিম্মাত লৈছে। পুলক মালাকাৰ নামৰ এই চিকিৎসকজনে ২০১৬ চনৰ পৰাই ভুৱা চিকিৎসকৰ প্ৰমাণ পত্ৰ দাখিল কৰি ৰোগীক চিকিৎসা কৰি আহিছিল বুলি কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। লোকজনৰ নথিপত্ৰ পৰীক্ষণৰ অন্তত ভুৱা বুলি প্ৰমাণিত হোৱাত ভাৰতীয় দণ্ডবিধিৰ সংশ্লিষ্ট ধাৰাৰ অধীনত গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰাৰ পাছত কালি শিলচৰৰ আদালতত হাজিৰ কৰোৱা হয়। আদালতে তেওঁক ছদিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে কয়, যে এই ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰখা হৈছে আৰু ইয়াৰ সৈতে এটা ডাঙৰ চক্ৰ জড়িত থকাৰ সন্দেহ কৰা হৈছে।

বাইট (এছ এছ পি)

উল্লেখযোগ্য যে বিগত কিছুদিনত ৰাজ্যখনৰ কেইবাখনো জিলাত আৰক্ষীয়ে ভুৱা চিকিৎসক গ্ৰেপ্তাৰ কৰিছে।

00000000

আজি আলাবৈ ৰণ স্মৃতি দিৱস। ১৬৬৯ চনৰ আজিৰ দিনটোতে আহোম আৰু মোগল সেনাৰ মাজত উত্তৰ গুৱাহাটীৰ সমীপৰ আলাবৈত এই যুদ্ধ সংঘটিত হৈছিল। ইতিহাসৰ পাতত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হোৱা আলাবৈৰ ৰণত অসমৰ ১০ হাজাৰ সেনাই মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। অসমীয়া সেনাৰ বীৰত্ব আৰু ত্যাগক সোঁৱৰণ কৰি প্ৰতিবছৰে আজিৰ এই দিনটোতে আলাবৈ ৰণ স্মৃতি দিৱস পালন কৰি অহা হৈছে। অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগত, কামৰূপ জিলা প্ৰশাসন আৰু শৰাইঘাট জাৰ্নেলিষ্ট ফ'ৰামৰ সহযোগত আজি এই দিৱস উদযাপনৰ আয়োজন কৰা হৈছে। আলাবৈ ৰণস্মৃতি ক্ষেত্ৰ আৰু কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়ত হ'বলগীয়া এই অনুষ্ঠানত অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি মন্ত্ৰী যোগেন মহন সন্মানীয় অতিথি, গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত ড০ পাৰ্থসাৰথি মহন্ত আৰু বিশিষ্ট বুৰঞ্জীবিদ অধ্যাপক যোগেন্দ্ৰ নাথ ফুকন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

00000000

বিগত ২৪ ঘণ্টাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত কাছাৰ জিলাৰ কেইবাটাও অঞ্চল প্লাৱিত হৈছে। শিলচৰৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথ, নিউ শিলচৰ, সোণাই ৰোড, শ্বিলং পট্টী, অম্বিকা পট্টী, চৌৰংগী, বিবেকানন্দ ৰোডকে ধৰি কেইবাটাও এলেকা বানত বুৰ গৈছে। বতৰ প্ৰতিকুল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে আজি জিলাখনৰ সকলো চৰকাৰী, বেচৰকাৰী শিক্ষানুষ্ঠান, প্ৰশিক্ষণ কেন্দ্ৰ আৰু অংগনবাড়ী কেন্দ্ৰসমূহ বন্ধ ঘোষণা কৰিছে। অৱশ্যে পূৰ্বৰ নিৰ্ধাৰিত পৰীক্ষাসমূহ সময়সূচী অনুসৰিয়ে অনুষ্ঠিত হ'ব। কাছাৰ জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সংশ্লিষ্ট নিয়মৰ অধীনত জিলা প্ৰশাসনে সতৰ্কতামূলক পৰামৰ্শও জাৰি কৰিছে।

00000000

NPR/RNU (05-08.2025, MRN.)

অৰুণাচল প্ৰদেশৰ সমীপত চীনে নিৰ্মাণ কৰি থকা বৃহত্ নদীবান্ধৰ কামৰ অগ্ৰগতিৰ তুলনাত ভাৰতে গ্ৰহণ কৰা প্ৰকল্পৰ কাম এতিয়াও আৰম্ভ হোৱা নাই। চীনে

এৰি দিয়া অতিৰিক্ত পানীভাগে নামনি অঞ্চলত কৰিব পৰা ক্ষতি প্ৰতিৰোধ কৰিবলৈ ভাৰতে এই প্ৰকল্প গ্ৰহণ কৰিছিল যদিও বাস্তৱত ইয়াৰ কাম আৰম্ভ হোৱা নাই। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

বিজ্ঞান প্ৰযুক্তি মন্ত্ৰালয়ৰ অধীনত এদল বিজ্ঞানীয়ে কৰা গৱেষণাত আকাশৰ নিৰ্মল ডাৱৰৰ ওপৰতো প্ৰদূষণৰ ভয়ংকৰ প্ৰভাৱ পৰাৰ তথ্য প্ৰকাশ হৈছে। বিষাক্ত পদাৰ্থৰে হিমালয়ৰ ডাৱৰ ভৰি পৰাৰ উদ্বেগজনক তথ্যৰে অসমীয়া প্ৰতিদিন কাকতে বাতৰি প্ৰকাশ কৰিছে।

ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজ্যৰ শাসক দল ঝাৰখণ্ড মুক্তি মৰ্চাৰ মুৰব্বী, আদিবাসী নেতা শিবু চোৰেণৰ মৃত্যুৰ বাতৰিটো দা টাইমছ অব ইণ্ডিয়া কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

গড়ভঙা বন্যপ্ৰাণী অভয়াৰণ্যৰ স্বীকৃতি বাতিলৰ বাবে ৰাজ্য চৰকাৰে ২০২৩ চনত গ্ৰহণ কৰা কেবিনেট সিদ্ধান্তৰ পৰৱৰ্তী সময়ত জাৰি কৰা অধিসূচনাৰ প্ৰত্যাহ্বান জনাই দাখিল কৰা দুখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি বন বিভাগক শপত দাখিলৰ বাবে দিয়া নিৰ্দেশৰ বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী ফচল কৃষি বীমা যোজনাৰ অধীনৰ পাঁচটা বিত্তীয় বৰ্ষৰ ধন অনাদায় হৈ থকাৰ ফলত অসমৰ বহু কৃষকে এই আঁচনিৰ সুফল লাভৰ পৰা বঞ্চিত হৈছে। বাতৰিটো দৈনিক অগ্ৰদূত কাকতৰ।

অসমীয়া খবৰ কাকতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ভাৰতীয় ভূখণ্ড চীনা সেনাই দখল কৰা বুলি পূৰ্বে কৰা মন্তব্য সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ভৎৰ্সনাৰে বাতৰি প্ৰকাশ কৰিছে। এই বাতৰি অন্যান্য কাকততো প্ৰকাশ পাইছে।

আমাৰ অসম, নিয়মীয়া বাৰ্তা কাকতত ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে কালি ঘোষণা কৰা চলিত বৰ্ষৰ ৰাজ্যিক জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ প্ৰাপকসকলৰ এটা বাতৰি প্ৰকাশ কৰিছে। অন্যান্য কাকতৰ লগতে আমাৰ অসম কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

00000000

যোৰহাটৰ বঙাল পুখুৰী নিবাসী বিশিষ্ট সমাজকৰ্মী তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মনোৰঞ্জন গগৈৰ কালি নিশা এখন ব্যক্তিগত হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। বঙালপুখুৰী পূজা মন্দিৰ, ৰেডক্ৰছ চ'ছাইটি, ৰাইটাৰ্চ্চ ক্লাব আদি বিভিন্ন সংস্থাৰ সৈতে জড়িত গগৈৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

00000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনীৰ সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

00000000

**সমাপ্ত**